জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩১৭/২০২২**

# অসম ভাষিক সংখ্যালঘূ উন্নয়ন পৰিষদৰ উপাধ্যক্ষ সুকুমাৰ বিশ্বাসৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোকপ্ৰকাশ

**দিছপুৰ, ২৫ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম ভাষিক সংখ্যালঘূ উন্নয়ন পৰিষদৰ উপাধ্যক্ষ সুকুমাৰ বিশ্বাসৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

বিগত কেইবছৰ মানৰ পৰা কৰ্কট ৰোগত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱা সুকুমাৰ বিশ্বাস অসম প্ৰদেশ ভাৰতীয় জনতা পাৰ্টিৰ অন্যতম ৰাজ্যিক সম্পাদক আছিল।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ বঙালী সম্প্ৰদায়ৰ লোকসকলৰ সামগ্ৰিক উন্নয়নৰ দিশত বিশ্বাসৰ অৱিহণা স্মৰণীয় হৈ ৰ'ব।

বৰপেটা জিলাত জন্মগ্ৰহণ কৰা বিশ্বাসে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল আৰু পিছলৈ সমাজসেৱাত নিজকে আত্মনিয়োগ কৰিছিল। ছাত্ৰ নেতা হিচাপে জীৱনৰ এটা সময়ত তেওঁ সদৌ অসম বঙালী যুৱ-ছাত্ৰ ফেডাৰেশ্যনৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

**আয়ন / হেঃশঃ**
**২৫/১০/২০২২**